

সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ইতিহাস খণ্ডৰ আগকথা

পাঠ - ১২

গুপ্তযুগৰ পৰৱর্তী ভাৰতবর্ষ

অংশ – ২

পৰিনীতা দেৱী

শিকনৰ ফলাফল

- দক্ষিণ ভাৰতৰ পল্লৱ আৰু ৰাষ্ট্ৰকূট ৰাজ্যৰ ভৌগোলিক অৱস্থিতি আৰু সমলৰ বিষয়ে অৱগত হ'ব।
- এই ৰাজ্যদুখনৰ সাংস্কৃতিক আৰু শিল্পকলাৰ অৱদানৰ বিষয়ে জানিব পাৰিব।

পল্লৱসকল

- দক্ষিণ ভাৰতৰ পূব উপকূলীয় অঞ্চলত অৱস্থিত পল্লৱ সকলৰ ৰাজ্য কাঞ্চী।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- খ্ৰীষ্টীয় তৃতীয় আৰু চতুৰ্থ শতিকাত পল্লৱসকলে দক্ষিণ ভাৰতত এক শক্তিশালী ৰাজ্য প্ৰতিষ্ঠা কৰিছিল।
- শিল্পকলা, সাহিত্য – সংস্কৃতি আদিলৈ পল্লৱসকলৰ অৱদান উল্লেখযোগ্য।
- কাঞ্চীপুৰম পল্লৱসকলৰ ৰাজধানী আছিল।
- সেই দিনৰ লিখনিত ৩৬ জন পল্লৱ ৰজাৰ নাম পোৱা যায়।
- নৰসিংহ বৰ্মন আছিল পল্লৱ বংশৰ সৰ্বশ্ৰেষ্ঠ ৰজা।

- পল্লৱসকল মূলতঃ তামিল সম্প্রদায়ৰ আছিল।
- খ্ৰীষ্টপূৰ্ব সপ্তম শতিকাৰ সময়ছোৱাত পল্লৱ ৰজাই বহুতো মন্দিৰ নিৰ্মাণ কৰিছিল।
- মহাৱলীপুৰমৰ মন্দিৰবোৰ দেখাত ৰথৰ দৰে, যাক ‘ৰথ’ বুলি কোৱা হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- এই মন্দিৰসমূহ এটা পাহাৰ খোদিত কৰি নিৰ্মাণ কৰা হৈছিল আৰু ইয়াৰ নাম আছিল —
  - ধৰ্মৰাজ ৰথ
  - ভীম ৰথ
  - অৰ্জুন ৰথ
  - দ্ৰৌপদী ৰথ



দ্ৰৌপদী আৰু অৰ্জুন ৰথ মহাৱলীপুৰম

- পল্লৱসকলে শিল্প আৰু ভাস্কর্য জগতত দ্রাবিড় কলা নামৰ এক নতুন শিল্প প্রকাৰৰ প্রৱর্তন কৰে।
- তেওঁলোক আছিল ধর্মপৰায়ণ ৰজা যিয়ে বহুতো হিন্দু মন্দিৰ আৰু বৌদ্ধ মঠ নির্মাণ কৰিছিল।

- পল্লৱসকলৰ আন দুটা গুৰুত্বপূর্ণ অৱদান আছিল —
  - ✓ বৈষ্ণৱী আৰু শৈৱী সাহিত্যৰ বিকাশত সংস্কৃত ভাষাৰ ব্যৱহাৰ
  - ✓ পল্লৱসকলৰ সময়ত অষ্টম শতিকাৰ ধর্ম সংস্কাৰ আন্দোলনৰ ভেটি স্থাপন কৰা হৈছিল।

- এই সময়ছোৱাত কাঞ্চী বিশ্ববিদ্যালয়খন দাক্ষিণাত্যৰ শিক্ষাৰ কেন্দ্ৰ হিচাপে গঢ় লৈ উঠিছিল।
- সামুদ্রিক শক্তি হিচাপেও পল্লৱসকল বিখ্যাত আছিল।
- তৰ্কশাস্ত্ৰবিদ ন্যায়ভাষ্য প্ৰণেতা বাৎসায়ন সম্ভৱতঃ কাঞ্চী বিশ্ববিদ্যালয়ৰ পণ্ডিত আছিল।
- পল্লৱসকলৰ বৰ্তমানৰ শ্ৰীলংকাৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছিল, যিটো তামিল সাহিত্যৰ বিভিন্ন গ্ৰন্থত উল্লেখ আছে।

ৰাষ্ট্ৰকূটসকল


পল্লৱসকল আৰু সমসাময়িক দাক্ষিণাত্যৰ ৰাজ্যসমূহ
নৰ্মদা নদী
তাপ্তী নদী
ৰা ষ্ট্ৰ কূ ট
মহা নদী
কলিঙ্গ
গোদাবৰী নদী
ব ঙ্গো প সা গ ৰ
কৃষ্ণা নদী
তুঙ্গভদ্ৰা নদী
আৰৱ সাগৰ
পল্লৱ কাঞ্চী
চ ল
ভা ৰ ত ম হা সা গ ৰ

- বৰ্তমানৰ গুজৰাট ৰাজ্যৰ তলফালে নৰ্মদা নদীৰ পৰা কৃষ্ণা আৰু তুঙ্গভদ্ৰা নদীক স্পৰ্শ কৰা ৰাজ্যখনেই হৈছে ৰাষ্ট্ৰকুট ৰাজ্য।
- দান্তিদূৰ্গ নামৰ এজন সামন্ত প্ৰভূৱে প্ৰায় ৭৫৩ খ্ৰীষ্টাব্দত ৰাষ্ট্ৰকুট ৰাজ্য প্ৰতিষ্ঠা কৰিছিল।

- ৰাষ্ট্ৰকুটসকল প্ৰভাৱশালী ৰজা আছিল।
- তেওঁলোকে গ্ৰহণ কৰা উপাধি সমূহ হ'ল
  - 'মহাৰাজাধিৰাজ'
  - 'ত্ৰিভুৱন চক্ৰৱৰ্তী'
- দাক্ষিণাত্যৰ ৰজাসকলৰ ভিতৰত এওঁলোকেই সৰ্বপ্ৰথমে উত্তৰ ভাৰততো নিজৰ প্ৰভাৱ বিস্তাৰ কৰিছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

জানি থওঁ আহা

সন্মানীয় উপাধিসমূহ —

- মহাৰাজ
- মহাৰাজাধিৰাজ
- ৰাজাধিৰাজ
- ত্রিভুৱন চক্রৱর্তী
- ৰাজ চক্রৱর্তী

এইবোৰ আছিল প্রাচীন ৰজাসকলে গ্রহণ কৰা কিছুমান সন্মানীয় উপাধি।

- ধৰ্ম, সাহিত্য-সংস্কৃতি, শিল্পকলাৰ ক্ষেত্ৰত ৰাষ্ট্ৰকুট ৰজাসকলে যথেষ্ট অৰিহণা যোগাইছিল।
- ৰজা ৰাষ্ট্ৰকুট প্ৰশাসনৰ মুৰব্বী আছিল।
- ৰাজ্যখনক প্ৰদশ, জিলা গাঁও আদি ভাগত ভাগ কৰিছিল।
- এই বিভাগসমূহ মন্ত্ৰী আৰু বিষয়াসকলে পৰিচালনা কৰিছিল।

- ৰাষ্ট্ৰকুটসকলৰ ৰাজত্বকালত সংস্কৃত আৰু প্ৰাকৃত ভাষাৰ বিকাশ হৈছিল।
- ধৰ্মৰ প্ৰতি ৰজাসকল সহনশীল আছিল।
- দাক্ষিণাত্যত তেওঁলোকে নিৰ্মাণ কৰা অগণন মন্দিৰ এতিয়াও আছে।
- ৰাষ্ট্ৰকুট ৰজা প্ৰথম কৃষ্ণই ইলোৰাৰ বিখ্যাত কৈলাশ নাথ মন্দিৰ নিৰ্মাণ কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



ইলোৰাৰ বিখ্যাত কৈলাশ নাথ মন্দিৰ

- এলিফেন্টা আৰু মালখেড়াৰ মন্দিৰসমূহত ৰাষ্ট্ৰকুট শিল্পৰ নিদৰ্শন দেখিবলৈ পোৱা যায়।
- ৰাষ্ট্ৰকুটসকলৰ ৰাজত্বকালত মুছলমানসকলেও উপকূলীয় অঞ্চলত বহুতো মছজিদ নিৰ্মাণ কৰিছিল।
- ৰাষ্ট্ৰকুটসকলে প্ৰায় ১২০ বছৰ দাক্ষিণাত্যত শাসন কৰিছিল।
- সময়ত আভ্যন্তৰীণ সংঘাতৰ বাবে ৰাষ্ট্ৰকুটসকলৰ শাসনৰ অন্ত পৰিল।

মূল্যায়ন



1 পল্লবসকলৰ ৰাজধানী আছিল-

A কাঞ্চী

B কাঞ্চীপুৰম

C মহাৱলীপুৰম

মূল্যায়ন



2 ৰাষ্টকূট সকলে দাক্ষিণাত্যত কিমান বছৰ শাসন কৰিছিল ?

A ১০০ বছৰ

B ১২০ বছৰ

C ২০০ বছৰ

মূল্যায়ন



3 | পল্লৱসকলৰ সময়ত অষ্টম শতিকাৰ ধর্ম সংস্কাৰ আন্দোলনৰ ভেটি স্থাপন কৰা হৈছিল।

A শুদ্ধ

B অশুদ্ধ



সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ইতিহাস খণ্ডৰ আগকথা

পাঠ - ১২

গুপ্তযুগৰ পৰৱর্তী ভাৰতবর্ষ

অংশ – ৩

পৰিনীতা দেৱী

শিকনৰ ফলাফল

- দক্ষিণ ভাৰতৰ চোল ৰাজ্যৰ ভৌগোলিক অৱস্থিতি আৰু সমলৰ বিষয়ে অৱগত হ'ব।
- এই ৰাজ্যৰ শাসন ব্যৱস্থা আৰু শিল্প ভাস্কৰ্যৰ অৱদানৰ বিষয়ে জানিব পাৰিব।

চোল সাম্ৰাজ্য

- গুপ্তসকলৰ পিছত আৰু এটা শক্তিশালী সাম্ৰাজ্যৰ উত্থান ঘটিল যাক চোলা সাম্ৰাজ্য বুলি কোৱা হয়।
- দাক্ষিণাত্যৰ বহু ৰাজ্যৰ পতনৰ সময়ত চোলা সাম্ৰাজ্যৰ উত্থান তাৎপৰ্যপূৰ্ণ আছিল।
- সমসাময়িক ৰাষ্ট্ৰসমূহৰ দুৰ্বলতাই চোলাসকলৰ উত্থানৰ পথ প্ৰশস্ত কৰিছিল।

- তঞ্জোৰ আছিল চোলা সাম্ৰাজ্যৰ ৰাজধানী।
- বিজয়ালয়ে খ্ৰীষ্টপূৰ্ব নৱম শতিকাৰ মাজভাগত তাঞ্জোৰ জয় কৰি দাক্ষিণাত্যত চোলা সাম্ৰাজ্য প্ৰতিষ্ঠা কৰে।



- প্ৰথম পৰান্তক চোল বংশৰ এজন শক্তিশালী ৰজা আছিল যিয়ে —
  - গাওঁসমূহত স্বায়ত্ত শাসনৰ ব্যৱস্থা কৰে।
  - ইয়াৰ ফলত পাছলৈ ভাৰতত পঞ্চায়তী ৰাজ ব্যৱস্থা প্ৰতিষ্ঠা কৰাৰ বাট মুকলি হয়।



- ৰাজাৰাজ চোল বংশৰ সর্বশ্রেষ্ঠ ৰজা আছিল যি —
  - কেৰল, পাণ্ড্য, আৰু চালুক্য জয় কৰিছিল।
  - সিংহল দ্বীপৰ উত্তৰ অঞ্চল আৰু মালয় দ্বীপপুঞ্জ দখল কৰিছিল।
  - চীনলৈ এজন কটকী পঠিয়াইছিল।
  - তঞ্জোৰত ৰাজ ৰাজেশ্বৰ মন্দিৰ নির্মাণ কৰিছিল, যিটো এটা নিখুঁট তামিল মন্দিৰ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- ৰাজাৰাজৰ যোগ্য পুত্ৰ ৰাজেন্দ্ৰই গংগাইকুণ্ডচোলপুৰম নগৰ নিৰ্মাণ কৰিছিল।
- পিছলৈ এই চহৰখন চোল ৰাজ্যৰ ৰাজধানী হৈ পৰিল ।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



গংগাইকুণ্ডচোলপুৰমৰ ৰাজ ৰাজেশ্বৰ মন্দিৰ

চোল শাসন ব্যৱস্থা

- চোল শাসন ব্যৱস্থাত কৃষকসকলৰ এটি বিশেষ স্থান আছিল। কৃষকসকলৰ বসতিস্থলসমূহক 'উৰ'নামেৰে নামকৰণ কৰা হৈছিল।
- ব্রাহ্মণসকলেও চোল ৰজাসকলৰপৰা পৃষ্ঠপোষকতা লাভ কৰিছিল। তেওঁলোকে ব্রাহ্মণসকলক ভূমিদান দিছিল। এই ভূমিবোৰক ব্রহ্মদেয় বোলা হৈছিল।

- ব্ৰহ্মদেয়বোৰ চোৱাচিতা কৰাৰ বাবে 'সভা'ৰ ওপৰত দায়িত্ব ন্যস্ত কৰা হৈছিল।
- প্ৰত্নতাত্ত্বিক সমলবোৰত পোৱা তথ্য অনুসৰি ব্ৰহ্মদেয়ৰ সভা, জলসিঞ্চন, মঠ-মন্দিৰ, বাগিচা আদি চোৱা-চিতা কৰাৰ বাবে বেলেগ বেলেগ সমিতি' পাতি লৈছিল।

চোলসকলৰ শিল্প ভাস্কৰ্য

- চোল ৰজাসকলে নির্মাণ কৰা মন্দিৰবোৰৰ কিছুমান বিশেষ বৈশিষ্ট্য আছিল —
  - এই মন্দিৰবোৰ কেৱল পূজাৰ স্থান নাছিল বৰঞ্চ অর্থনৈতিক উন্নয়নৰ কেন্দ্রও আছিল।

- মন্দিৰৰ ওচৰত বাস কৰা কিছুমান লোকে শিল্প আৰু ভাস্কর্যৰ চর্চা কৰিছিল —
  - তেওঁলোকেবিভিন্ন দেৱ-দেৱীৰ ব্রঞ্জৰ মূর্তি নির্মাণ কৰিছিল, যিবোৰ সমসাময়িক শিল্প আৰু ভাস্কর্যৰ উত্তম উদাহৰণ আছিল।
  - 'নটৰাজ'ৰ ব্রঞ্জৰ মূর্তিটো সেই সময়ৰ এক উৎকৃষ্ট সৃষ্টি আছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



চোল যুগৰ ব্ৰ'ঞ্জৰ মূৰ্তি

মূল্যায়ন



1 গংগাইকুণ্ডচোলপুৰম নগৰ কোনে নিৰ্মান কৰিছিল ?

A ৰাজাৰাজ

B ৰাজেন্দ্ৰ

C প্ৰথম পৰান্ত

মূল্যায়ন



2 চোল ৰাজ্যৰ ৰাজধানী কি ?

A পাণ্ড্য

B তাঞ্জোৰ

C চালুক্য

মূল্যায়ন



3 | চোল ৰজাসকলে ব্ৰাহ্মনসকলক দান দিয়া ভূমিক ব্ৰহ্মদেয় বোলা হৈছিল ।

A শুদ্ধ

B অশুদ্ধ



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ইতিহাস খণ্ডৰ আগকথা

পাঠ - ১২

গুপ্তযুগৰ পৰৱর্তী ভাৰতবর্ষ

অংশ – ৪ (প্রশ্ন-উত্তৰ)

পৰিনীতা দেৱী

অনুশীলনী

১। উত্তৰ দিয়া —

(ক) থানেশ্বৰ ৰাজ্যখন বর্তমান কোন প্রদেশৰ অন্তর্গত?

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ থানেশ্বৰ ৰাজ্যখন বৰ্তমান হাৰিয়ানা প্ৰদেশৰ অন্তৰ্গত।



(খ) হৰ্ষবৰ্ধনৰ ৰাজসভাৰ কবিগৰাকীৰ নাম কি?



উত্তৰঃ হৰ্ষবৰ্ধনৰ ৰাজসভাৰ কবিগৰাকীৰ নাম হ'ল– বাণভট্ট।



(গ) ইলোৰাৰ কৈলাশনাথ মন্দিৰ কোনে সজাইছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ ইলোৰাৰ কৈলাশনাথ মন্দিৰ ৰাষ্ট্ৰকূট ৰজা প্ৰথম কৃষ্ণই সজাইছিল।



(ঘ) চোল বংশৰ শ্ৰেষ্ঠ ৰজাজনৰ নাম কি?



সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ চোল বংশৰ শ্ৰেষ্ঠ ৰজাজনৰ নাম আছিল ৰাজাৰাজ।



(ঙ) গংগাইকুণ্ডচোলপুৰম নগৰ কোনজন চোল ৰজাই নিৰ্মাণ কৰাইছিল?



উত্তৰঃ গংগাইকুণ্ডচোলপুৰম নগৰ ৰাজাৰাজৰ যোগ্য পুত্ৰ ৰাজেন্দ্ৰ চোলে নির্মাণ কৰাইছিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। খালি ঠাই পূৰোৱা —

(ক) বর্মণ বংশৰ শ্রেষ্ঠ ৰজা আছিল ভাস্কৰ বর্মণ ।

(খ) হর্ষবর্ধনৰ ৰ আন এটি নাম আছিল শিলাদিত্য।

(গ) পল্লৱসকলে দ্রাবিড় শিল্প নামৰ এটি নতুন শিল্পকলাৰ সৃষ্টি কৰে।

(ঘ) এলিফেন্টা আৰু **মালখেড়াৰ** মন্দিৰসমূহত ৰাষ্ট্ৰকুট শিল্পৰ নিদর্শন পোৱা যায়।

(ঙ) চোল ৰজাসকলে ব্ৰাহ্মণসকলক দান দিয়া মাটিক **ব্ৰহ্মদেয়** বোলা হৈছিল।

৩। শুদ্ধ উত্তৰ বাছি উলিওৱা —

(ক) গুপ্তসকলে ভাৰতত দুশ/ তিনিশ/চাৰিশ বছৰ ৰাজত্ব কৰিছিল।

(খ) হৰ্ষবৰ্ধনৰ ৰাজ্যৰ ৰাজধানী আছিল তাঞ্জোৰ/তক্ষশীলা/কনৌজ।

(গ) হৰ্ষবৰ্ধনে খেতিৰপৰা উৎপাদিত শস্যৰ ১/৬/১/৫/১/৪ অংশ কৰ হিচাপে আদায় কৰিছিল।

(ঘ) কাঞ্চী/কাঞ্চীপুৰম/মহাৱলীপুৰম পল্লৱ ৰাজ্যৰ ৰাজধানী আছিল।

(ঙ) ৰাজাৰাজ/প্রথম কৃষ্ণ/দান্তিদূর্গ/ৰাষ্ট্রকূট ৰাজ্যৰ প্রতিষ্ঠাপক।

৪। তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া —

(ক) বিন্ধ্য পৰ্বতে ভাৰতবৰ্ষৰ কি কি ভাগত ভাগ কৰিছে?

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ বিন্ধ্য পর্বতে ভাৰতবর্ষৰ উত্তৰ অংশক উত্তৰ ভাৰত আৰু দক্ষিণ অংশক দক্ষিণ ভাৰত বা দাক্ষিণাত্য ভাগত ভাগ কৰিছে।



(খ) থানেশ্বৰ ৰাজ্যৰ লগত একত্ৰিত হোৱা ৰাজ্যখনৰ নাম কি?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ থানেশ্বৰ ৰাজ্যৰ লগত একত্রিত হোৱা ৰাজ্যখনৰ নাম হ'ল– কনৌজ।



(গ) পল্লৱ শাসকসকলৰ প্ৰধান অৱদান দুটা কি কি?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ পল্লৱ শাসকসকলৰ প্ৰধান অৱদান দুটা হ'ল–

- সাহিত্য চৰ্চাত সংস্কৃত ভাষাৰ প্ৰয়োগ ।
- বৈষ্ণৱ আৰু শৈৱ সাহিত্যৰ বিকাশ।

(ঘ) ৰাষ্ট্ৰকূটসকলৰ শাসন কালত কি কি ভাষাৰ বিকাশ হৈছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ ৰাষ্ট্ৰকুটসকলৰ শাসন কালত সংস্কৃত আৰু প্ৰাকৃত ভাষাৰ বিকাশ হৈছিল।



(ঙ) কোন ৰজাৰ শাসন কালত পঞ্চায়তীৰাজ ব্যৱস্থাৰ প্ৰতিষ্ঠাৰ পথ মুকলি হৈছিল?

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ প্ৰথম পৰান্তক ৰজাৰ শাসন কালত পঞ্চায়তীৰাজ ব্যৱস্থাৰ প্ৰতিষ্ঠাৰ পথ মুকলি হৈছিল।





সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ইতিহাস খণ্ডৰ আগকথা

পাঠ - ১২

গুপ্তযুগৰ পৰৱর্তী ভাৰতবর্ষ

অংশ – ৫ (প্রশ্ন-উত্তৰ)

পৰিনীতা দেৱী

৫। ৫০টা মান শব্দৰ ভিতৰৰ লিখা —

(ক) হৰ্ষবৰ্ধনৰ শাসন পদ্ধতি।

